# মীমাংসা পত্র

মুখ্যমন্ত্ৰী, অসম

১৬ আগষ্ট, ১৯৮৫

বিদেশী নাগৰিক সম্পৰ্কীয় জটিল প্ৰশ্নটোৱে অসমৰ সদৌ ৰাইজকে বহুদিনৰ পৰা উদ্বিগ্ন কৰি আহিছিল। এই প্ৰশ্নকে লৈ সুদীৰ্ঘ দিন ধৰি চলি অহা আন্দোলনেও সময়ে সময়ে সৰ্বনাশী অৱস্থাৰ সৃষ্টি কৰিছিল আৰু ফলত ধন-জন সকলো দিশত বিস্তৰ ক্ষয় ক্ষতি হৈছিল। এতিয়া কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে আন্দোলন চলোৱা ঘাই সংগঠন দুটাৰ লগত এখন মীমাংসা পত্ৰত চহী কৰাৰ লগে লগে আন্দোলনৰ ওৰ পৰিল আৰু বিদেশী প্ৰশ্নটোও সন্তোষজনক ভাৱে মীমাংসা কৰা হ'ল। এই মীমাংসাৰ মূলতে হৈছে প্ৰধান মন্ত্ৰী শ্ৰীৰাজীৱ গান্ধীৰ ৰাজনৈতিক বিচক্ষণতা আৰু তাৰ বাবে সকলো কৃতিত্ব প্ৰধান মন্ত্ৰীৰেই ।

মীমাংসা পত্ৰখনৰ সকলোবোৰ দিশ আৰু তাৰ আঁৰত থকা সকলো বিচাৰ বিবেচনাৰ লগত ৰাইজে যাতে ভালদৰে পৰিচিত হব পাৰে, সেই উদ্দেশ্যে মীমাংসা পত্ৰখনৰ পূৰ্ণ পাঠ ইয়াত দাঙি ধৰা হৈছে। আমি আশা কৰিছো এই মীমাংসা পত্ৰৰ ব্যৱস্থা সমূহ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত সদৌ ৰাইজে আমাৰ চৰকাৰৰ লগত পূৰ্ণ সহযোগিতা কৰিব।

জনতা ভৱন
দিশপুৰ

হিতেশ্বৰ শইকীয়া

# মীমাংসা পত্ৰ

অসমৰ বিদেশী নাগৰিক সমস্যাটোৰ সন্তোষজনক সমাধান এটাৰ বাবে চৰকাৰে সদায়েই অতিকে আগ্ৰহী হৈ আহিছে। সদৌ অসম ছাত্ৰ সন্থা ('আছু') আৰু সদৌ অসম গণসংগ্ৰাম পৰিষদেও এনে সমাধান এটাৰ বাবে আগ্ৰহ দেখুৱাইছে।

২। ছাত্ৰ সন্থাই ১৯৮০ চনৰ ২ ফেব্ৰুৱাৰীত পৰলোকগতা প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীলৈ দিয়া স্মাৰক পত্ৰৰ জৰিয়তে অসমলৈ বিদেশী নাগৰিকৰ অনুপ্ৰবেশ চলি থকাত আৰু তাৰ ফলত ৰাজ্যখনৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত বিৰূপ প্ৰতিক্ৰিয়া হ'ব বুলি তেওঁলোকৰ আশংকা প্ৰকাশ কৰিছিল।

৩। অসমৰ ৰাইজৰ তেনে যথাৰ্থ আশংকাৰ বিষয়ে সম্পূৰ্ণ সজাগ হৈ তেতিয়াৰ প্ৰধান মন্ত্ৰীয়ে আছু আৰু গণসংগ্ৰাম পৰিষদৰ সৈতে আলোচনাৰ পাতনি মেলিছিল। তাৰ পিচত ১৯৮০ ৰ পৰা ১৯৮৩ চনলৈকে এই সময়ছোৱাত প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰী পৰ্য্যায়ত আলোচনা চলোৱা হয়। ১৯৮৪ চনৰ বছৰটোত কেইবাৰানিও অনানুষ্ঠানিক আলোচনা পতা হয়। ১৯৮৫ চনৰ মাৰ্চ মাহত আনুষ্ঠানিক আলোচনা আকৌ আৰম্ভ কৰা হয়।

৪। সাংবিধানিক আৰু আইনগত বিধি ব্যৱস্থা, আন্তৰ্জাতিক চুক্তি, ৰাষ্ট্ৰীয় প্ৰতিশ্ৰুতি আৰু মানবীয় বিচাৰ বিবেচনাকে ধৰি সমস্যাটোৰ সকলো দিশ সম্মুখত ৰাখি তলত উল্লেখ কৰা ধৰণে থিৰ কৰা হয় ঃ

## বিদেশী নাগৰিকৰ বিষয়

৫।(১) বিদেশী নাগৰিকক চিনাক্ত কৰা আৰু নাম কটাৰ উদ্দেশ্যে ১৯৬৬ চনৰ ১ জানুৱাৰী ভিত্তি বছৰ আৰু তাৰিখ হ'ব।

৫।(২) ১৯৬৬ চনৰ ১ জানুৱাৰীৰ আগতে যিসকল লোক অসমলৈ আহিছিল আৰু ১৯৬৭ চনৰ নিৰ্বাচনত ব্যৱহাৰ কৰা ভোটৰ তালিকাত যিসকলৰ নাম অন্তৰ্ভূক্ত হৈছিল তেওঁলোকক নিয়মীয়া নাগৰিক কৰা হ'ব ।

৫। (৩) ১ জানুৱাৰী ১৯৬৬ ৰ (সেই দিনটো সহ) পৰা ২৪ মাৰ্চ ১৯৭১ তাৰিখলৈকে অসমলৈ অহা সকলো বিদেশীক ১৯৪৬ চনৰ বিদেশী নাগৰিক আইন আৰু ১৯৬৪ বিদেশী নাগৰিক (ন্যায়াধিকৰণ) আদেশৰ ব্যৱস্থা অনুসাৰে চিনাক্ত কৰা হ'ব ।

৫। (৪) এনেদৰে চিনাক্ত কৰা বিদেশী নাগৰিকৰ নাম চলি থকা ভোটাৰ তালিকাৰ পৰা বাদ দিয়া হ'ব। এই বিদেশী নাগৰিক সকলে সংশ্লিষ্ট জিলাৰ পঞ্জীয়ন বিষয়াৰ ওচৰত ১৯৩১ চনৰ বিদেশী নাগৰিকৰ নাম পঞ্জীয়ন আইন আৰু ১৯৩৯ চনৰ বিদেশী নাগৰিক পঞ্জীয়ন সংক্ৰান্ত বিধিৰ অধীনত তেওঁলোকৰ নাম পঞ্জীভূক্ত কৰিব লাগিব ।

৫। (৫) এই উদ্দেশ্যে ভাৰত চৰকাৰে চৰকাৰী ব্যৱস্থা যথোচিতভাৱে শক্তিশালী কৰাৰ কাম হাতত লব ।

৫। (৬) বিদেশী বুলি চিহ্নিত হোৱাৰ দিনৰ পৰা ১০ বছৰ সম্পূৰ্ণ হলেই ভোটাৰ তালিকাৰ পৰা বাদ দিয়া বিদেশী নাগৰিক সকলৰ নাম পুনৰ ভোটাৰ তালিকাত ভৰোৱা হ'ব ।

৫। (৭) আগতে বহিস্কাৰ কৰা যিসকল বিদেশী নাগৰিক বে-আইনীভাৱে আকৌ অসমত সোমাইছেহি তেওঁলোকক পুনৰ বহিস্কাৰ কৰা হ'ব ।

৫। (৮) ১৯৭১ চনৰ ২৫ মাৰ্চ বা তাৰ পিছত অসমলৈ অহা বিদেশীক চিনাক্ত কৰা, ভোটাৰ তালিকাৰ পৰা নাম বাদ দিয়া আৰু বহিস্কাৰ কৰাৰ কাম আইনমতে চলি থাকিব। তেনে বিদেশী লোকৰ বহিস্কাৰৰ বাবে খৰতকীয়া আৰু বাস্তৱোচিত ব্যৱস্থা লোৱা হ'ব ।

৫। (৯) অবৈধ অনুপ্ৰবেশকাৰী (ন্যায়াধিকৰণৰ দ্বাৰা নিৰ্দ্ধাৰণ) আইন, ১৯৮৩ ৰ কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰত আছু আৰু গণসংগ্ৰাম পৰিষদে উল্লেখ কৰা কেতবোৰ অসুবিধাৰ বিষয়ে চৰকাৰে যথোচিত ভাৱে বিবেচনা কৰিব ।

## ৰক্ষণাবেক্ষণ আৰু অৰ্থনৈতিক উন্নয়ন

৬। অসমীয়া ৰাইজৰ সাংস্কৃতিক, সামাজিক, ভাষিক পৰিচয় আৰু ঐতিহ্যৰ ৰক্ষা, সংৰক্ষণ আৰু বিকাশৰ বাবে যেনে ধৰণে দৰকাৰ, সাংবিধানিক, আইনগত আৰু প্ৰশাসনিক ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰা হ'ব ।

৭। ৰাইজৰ জীৱনৰ মান উন্নত কৰিবৰ বাবে ৰাজ্যখনৰ খৰতকীয়া সৰ্বাঙ্গীন অৰ্থনৈতিক উন্নয়নৰ বাবে নিজৰ প্ৰতিশ্ৰুতিৰ কথা এই সুযোগতে চৰকাৰে দোহাৰিছে। ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান স্থাপনৰ জৰিয়তে শিক্ষা আৰু বিজ্ঞান তথা প্ৰযুক্তি বিদ্যাৰ দিশত বিশেষ গুৰুত্ব দিয়া হ'ব।

## অন্যান্য বিষয়

৮। (১) কেৱল কেন্দ্ৰীয় চৰকাৰ কৰ্তৃপক্ষৰ দ্বাৰাহে আগলৈ নাগৰিকত্বৰ প্ৰমাণ পত্ৰ দিয়াৰ বাবে চৰকাৰে দিহা কৰিব।

৮। (২) ভাৰতীয় নাগৰিকত্বৰ প্ৰমাণ পত্ৰ অনিয়মীয়াকৈ দিয়াৰ কোনো আপত্তি আছু/গণ সংগ্ৰাম পৰিষদে স্পষ্টকৈ দিলে তেন্তে আপত্তিৰ কথা বিবেচনা কৰা হব।

৯। (১) গোটেই আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ নৈ অঞ্চল আৰু স্থল খণ্ডত নিৰাপত্তা বাহিনীৰ পহৰা লগাৰ জোখাৰে বঢ়োৱা হ'ব। ভৱিষ্যত অনুপ্ৰবেশত ফলপ্ৰসুভাৱে বাধা দিবলৈ নিৰাপত্তা ব্যৱস্থা আৰু শক্তিশালী কৰিবৰ উদ্দেশ্যে যথেষ্ট সংখ্যক তলাচী চকী পতা হ'ব। যথোপযুক্ত ঠাইত বেৰা, কাটাতাঁৰৰ বেৰা আৰু অন্যান্য হেঙাৰ সাজি ভৱিষ্যত অনুপ্ৰৱেশৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় সীমান্ত নিৰাপদ কৰা হ'ব।

৯। (২) ওপৰত উল্লেখ কৰা ব্যৱস্থাৱলীৰ উপৰিও আৰু নিৰাপত্তাৰ কথা মনত ৰাখি নিৰাপত্তা বাহিনীৰ পহৰাৰ সুবিধাৰ বাবে গোটেই সীমান্তৰ কাষে কাষে এটা আলিবাট সজা হ'ব। সীমান্ত আৰু সেই পথৰ মাজৰ ঠাই য'ত য'ত সম্ভৱ বসতিমুক্ত কৰি ৰখা হ'ব। আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ নদী অঞ্চলৰ পহৰা বহলোৱা হ'ব। আন্তঃৰাষ্ট্ৰীয় সীমান্ত অতিক্ৰম কৰা বা কৰিব খোজা অনুপ্ৰৱেশকাৰীক বাধা দিবলৈ সকলো ফলপ্ৰসু ব্যৱস্থা হাতত লোৱা হ'ব।

১০। চৰকাৰী মাটি আৰু জনজাতীয় বেষ্টনী আৰু ব্লকৰ মাটিত বে-দখল বোধ কৰিবৰ বাবে যিবিলাক আইন আছে সেই আইন কঠোৰ ভাৱে বলবৎ কৰা আৰু এনে আইনৰ অধীনত বেদখলকাৰীক উচ্ছেদ কৰাটো নিশ্চিত কৰা হ'ব।

১১। অসমত বিদেশীয়ে স্থাৱৰ সম্পত্তি গোটোৱাটো নিয়ন্ত্ৰণ কৰাৰ বাবে থকা সংশ্লিষ্ট আইন কঠোৰ ভাৱে বলবৎ কৰাটো নিশ্চিত কৰা হ'ব।

১২। জন্ম-মৃত্যুৰ পঞ্জী উপযুক্ত ভাবে ৰখাটো নিশ্চিত কৰা হ'ব।

### স্বাভাৱিক অৱস্থা পুনৰ প্ৰতিষ্ঠা

১৩। সদৌ অসম ছাত্ৰ সন্থা (আছু) আৰু সদৌ অসম গণসংগ্ৰাম পৰিষদে আন্দোলন প্ৰত্যাহাৰ কৰিছে, পূৰ্ণ-সহযোগিতাৰ আশ্বাস দিছে আৰু দেশখনৰ প্ৰগতিৰ বাবে নিজকে উৎসৰ্গা কৰিছে।

১৪। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে —

(ক) আন্দোলনৰ সন্দৰ্ভত কৰ্মচাৰীসকলৰ বিৰুদ্ধে লোৱা অনুশাসনমূলক ব্যৱস্থাৰ গোচৰ সহানুভূতিৰে পুনৰ বিবেচনা কৰিবলৈ আৰু উঠাই লবলৈ আৰু কাৰো বিপক্ষে যাতে আক্ৰোশমূলক ব্যৱস্থা লোৱা নহয় তাক নিশ্চিত কৰিবলৈ মান্তি হৈছে।

(খ) আন্দোলনৰ সময়ছোৱাত নিহত সকলৰ আত্মীয়ক এককালীন অৰ্থ-সাহায্য দানৰ এখন আঁচনি যুগুতাবলৈ মান্তি হৈছে।

(গ) অসমত আন্দোলনৰ পৰিপ্ৰেক্ষিতত শৈক্ষিক আৰু প্ৰতিযোগিতামূলক পৰীক্ষা পতাৰ বেলিকা হোৱা আচহুৱা পৰিস্থিতিৰ কথা বিবেচনা কৰি অসমৰ চৰকাৰী চাকৰিত নিয়োগৰ বাবে বয়সৰ সৰ্বোচ্চ সীমা বেহাই দিয়াৰ প্ৰস্তাৱ সহানুভূতিৰে বিবেচনা কৰিবলৈ মান্তি হৈছে।

(ঘ) আটকৰ গোচৰ আৰু ডাঙৰ অপৰাধত অভিযুক্ত সকলৰ বাহিৰে আন্দোলন সম্পৰ্কত অন্যান্য ফৌজদাৰী অপৰাধত অভিযুক্তসকলৰ বিৰুদ্ধে থকা গোচৰ আৰু আছে যদি আটকৰ গোচৰৰ পুনৰ পৰ্য্যালোচনাৰ কাম হাতত লবলৈ মান্তি হয়।

(ঙ) কোনো নিষেধাজ্ঞা/বিজ্ঞপ্তি, যদি বাহাল আছে, তাক প্ৰত্যাহাৰ কৰাৰ বিষয়টো বিবেচনা কৰি চাবলৈ মান্তি হয়।

১৫। ওপৰৰ ব্যৱস্থাৱলীৰ ৰূপায়ণৰ বেলিকা মূল বিভাগ হ'ব গৃহ পৰিক্ৰমা মন্ত্ৰীদপ্তৰ।

---

*অসম চৰকাৰী ছপাশালত মুদ্ৰিত*